# জলাশয়



প্রকৃতি শিক্ষণ কেন্দ্ৰ, অসম

Author :
**Dhrubajyoti Kalita**

Edited By.
**Team NMHS Him-NLC, Assam**
**Munmiara Begum**

Published by:
**"Him-Nature Learning Centre, Assam"**
Under the National Mission on Himalayan Studies

2017-18 to 2020-21

Supported by:
Ministry of Environment, Forest and Climate Change
Government of India

Implemented by:
Assam State Biodiversity Board
Assam Forest Department, Government of Assam
Assam Climate Change Management Society

1st Edition : January, 2021
© Assam State Biodiversity Board

Printed By :
F.M. Printers
H.No. 35, 1st Floor, Near Canara Bank
Panjabari Road, Sixmile, Guwahati-22



মানৱ জাতিৰ লগতে গছ-গছনি আৰু পশু-পক্ষীৰ বাবে সুৰক্ষা কৱচস্বৰূপ খাল-বিল, জান-জুৰি, নদী অৰ্থাৎ জলাশয়বোৰ প্ৰকৃতিৰ সৰ্বাধিক চহকী, উৎপাদনক্ষম আৰু পুনৰ ব্যৱহাৰযোগ্য, দীৰ্ঘম্যাদী প্ৰাকৃতিক সম্পদৰ ভাণ্ডাৰ।



এটা এলেকাত থলুৱা প্ৰজাতিৰ বিভিন্ন ধৰণৰ জলজ উদ্ভিদ, কীট-পতংগ, মাছ, সৰীসৃপ আদিৰে সমৃদ্ধ হৈ থকা প্ৰাকৃতিক জলাশয়বোৰক অঞ্চলটোৰ কিডনী স্বৰূপ বুলি জ্ঞান কৰা হয়। এনে জলাশয়বোৰে আমাক বিভিন্ন ধৰণে উপকৃত কৰি আহিছে।

## জল সংৰক্ষণ

অঞ্চল এটাত পৰা বৰষুণৰ পানীৰ বহুখিনি ওচৰৰ জলাশয়বোৰত জমা হয়। তাৰ পৰাই পানী নিগৰি গৈ ভূ-গৰ্ভত জমা হয়। নলীনাদ বা কুঁৱাৰ জৰিয়তে উঠোৱাৰ ফলত ভূগৰ্ভত হোৱা পানীখিনিৰ নাটনি এনেদৰেই পূৰ হয়।





## মাটি জীপাল কৰি ৰাখে

জলাশয়ৰ পানীয়ে চৌপাশৰ মাটি জীপাল হৈ থকাত সহায় কৰে। সেইবাবে জলাশয়ৰ পাৰৰ মাটিত গছ-গছনি আৰু খেতি-বাতি ভাল হয়। মাটি সাৰুৱা আৰু জীপাল হোৱাৰ বাবে জলাশয়ৰ চৌপাশ সাধাৰণতে উদ্ভিদ বৈচিত্ৰ্যত চহকী হোৱা দেখা যায়।

## পুষ্টিকৰ খাদ্য

হেলচি, শেলুৰৈ, পানী শিঙৰী, মখনা, ভেঁট আদিৰ দৰে পুষ্টিকৰ উদ্ভিদ অসমৰ জলাশয়বোৰত প্ৰচুৰ পৰিমাণে গজে। অসমৰ প্ৰাকৃতিক জলাশয়বোৰত পোৱা বিভিন্ন প্ৰজাতিৰ মাছবোৰ সোৱাদযুক্ত আৰু উচ্চ পুষ্টিগুণসম্পন্ন।





জলাশয়ৰ বুকুৰ লগতে চৌপাশৰ উৰ্বৰ ভূমিত গজা উদ্ভিদবোৰৰ ভিতৰত পশুধনৰ বাবে উৎকৃষ্টমানৰ ঘাঁহো থাকে। গ্ৰামাঞ্চলৰ পশুপালকসকলে সজীৱ আৰু উৎকৃষ্ট ঘাঁহৰ বাবে জলাশয়বোৰৰ ওপৰত বহু পৰিমাণে নিৰ্ভৰ কৰে।



## গ্ৰাম্য অৰ্থনীতিৰ শক্তিশালী ভেঁটি

জলাশয়ত পোৱা নল, খাগৰি, পাটি দৈ আদিৰে বহুতো লাগতিয়াল সামগ্ৰী প্ৰস্তুত কৰাৰ উপৰিও সৌন্দৰ্যবৰ্দ্ধক সামগ্ৰীও তৈয়াৰ কৰা হয়। এনে ব্যৱসায়ে বহুতো পৰিয়ালক অৰ্থ উপাৰ্জনৰ সুস্থিৰ পথ দিছে।

## বন্যপ্ৰাণীৰ অস্তিত্ব

পখিলা, জিঞা, ভেঁকুলী, সাপ, নেউল, ডাউক, শঁৰালি, চিলনী, মাছৰোকা, হাড়গিলা, পানীকাউৰী আদি বিভিন্ন প্ৰজাতিৰ পোক-পতংগ, পশু-পক্ষী আৰু সৰীসৃপে খাদ্য আৰু আশ্ৰয়ৰ বাবে জলাশয়ৰ ওপৰত নিৰ্ভৰ কৰে।



## বিনামূলীয়া জলভাণ্ডাৰ

কৃষকৰ বাবে পথাৰৰ মাজত থকা জলাশয়বোৰ হ'ল বিনামূলীয়া জলভাণ্ডাৰস্বৰূপ। বহু খেতিয়কে খেতিপথাৰত পানী যোগানৰ বাবে এই জলাশয়বোৰৰ পৰা পানী আহৰণ কৰাৰ উপৰিও হাঁহ চৰোৱাৰ বাবে মুক্তভাৱে ব্যৱহাৰ কৰে।





## সাংস্কৃতিক সমল

জলাশয়ৰ সৈতে বিভিন্ন জনগোষ্ঠীৰ সংস্কৃতিৰ নিবিড় সম্পৰ্ক আছে। অসমৰ বহুতো পৰম্পৰাগত ৰীতি-নীতিৰ নৈ, বিল আদিৰ লগত সম্পৰ্ক আছে। জান-জুৰি, নৈ-বিলবোৰ আজিও কবি-গীতিকাৰৰ বাবে অনুপ্ৰেৰণাৰ উৎস।

## অগ্নিকাণ্ড প্ৰতিৰোধ

জনবসতিপূৰ্ণ এলেকাত থকা কৃত্ৰিম বা প্ৰাকৃতিক জলভাণ্ডাৰবোৰ অগ্নিকাণ্ডৰ সময়ত পানীৰ তাৎক্ষণিক উৎস হিচাপে গণ্য কৰা হয়। অগ্নিকাণ্ডৰ সময়ত সাধাৰণ ৰাইজৰ লগতে অগ্নি নিৰ্বাপক বাহিনীৰ গাড়ীবোৰেও জৰুৰী অৱস্থাত থিতাতে থকা জলাশয়ৰ পৰাই পানী সংগ্ৰহ কৰে।





## মাছ বংশ বৃদ্ধিৰ বাবে আদৰ্শ স্থলী

কিছুমান মাছক প্ৰজননৰ বাবে সুস্থ পৰিৱেশৰ প্ৰাকৃতিক জলাশয়ৰ প্ৰয়োজন। এই জলাশয়বোৰ নিঃশেষ হৈ গ'লে বা তাৰ পৰিৱেশ নষ্ট হ'লে তেনেবোৰ মাছৰ প্ৰজননত ব্যাঘাত জন্মিব আৰু মাছবোৰৰ বংশ লুপ্ত হ'ব।



## মাছৰ ব্যৱসায়

মীন পালন ব্যৱসায়ে অসমৰ অৰ্থনীতিত এক গুৰুত্বপূৰ্ণ ভূমিকা লৈ আহিছে। অসমৰ এক বৃহৎ সংখ্যক লোকৰ প্ৰধান বৃত্তি মীন পালন। মৎস্যজীৱি সম্প্ৰদায়ৰ বহুতৰে জীৱিকাৰ প্ৰধান সম্বল হ'ল প্ৰাকৃতিক জলাশয়বোৰ।



## পৰ্যটন আৰু শিক্ষাৰ থলী

কিছুমান বিলত স্থানীয় প্ৰজাতিৰ চৰাই নিয়মীয়াকৈ বাস কৰাৰ উপৰিও শীতকালত এইবোৰ বিললৈ দেশী-বিদেশী পৰিভ্ৰমী পক্ষীৰ আগমন ঘটে। প্ৰকৃতি অধ্যয়নৰ উপৰিও সৌন্দৰ্য উপভোগৰ বাবে এনে জলাশয়বোৰলৈ গৱেষক ছাত্ৰ-ছাত্ৰী আৰু প্ৰকৃতিপ্ৰেমী লোকৰ আগমন ঘটে।



## স্বাস্থ্যকৰ জলবায়ু

পৰিষ্কাৰ পানীৰ হ্ৰদ বা বিলে পাৰ্শ্বৱৰ্তী এলেকাৰ বায়ু নিকা আৰু শীতল হৈ থকাত সহায় কৰে। ওচৰৰ বাসিন্দাসকলৰ সুস্বাস্থ্যৰ বাবে নিৰ্মল পানীৰ জলাশয়বোৰ আৰ্শীবাদ স্বৰূপ।

## জলক্ৰীড়া

বনৰীয়া বা ঘৰচীয়া পশু-পক্ষীৰ লগতে মানুহকো জলক্ৰীড়াৰ বাবে জলাশয়ৰ প্ৰয়োজন। পৃথিৱীৰ বহুতো আগশাৰীৰ প্ৰমোদ কেন্দ্ৰত কৃত্ৰিম জলাধাৰ সাজিলৈ বিভিন্ন ধৰণৰ জলক্ৰীড়াৰ সুবিধা দিয়া হৈছে।





## জল পৰিবহন

আৰামদায়ক আৰু কম খৰচী যাতায়তৰ বাবে জল পৰিবহন ব্যৱস্থা অতি সুবিধাজনক। আন্তৰ্জাতিক পৰ্যায়ৰ লগতে পৃথিৱীৰ বিভিন্ন দেশৰ অৰ্ন্তদেশীয় বাণিজ্যত জল পৰিবহন ব্যৱস্থাই অতি গুৰুত্বপূৰ্ণ ভূমিকা লৈ আছে।



## আমোদ ভ্ৰমণ

আমোদ ভ্ৰমণৰ বাবে জলপথ ব্যৱহাৰ কৰা হয়। ডাঙৰ ডাঙৰ নদী সাগৰত বিভিন্ন প্ৰকাৰৰ নাও, জাহাজেৰে কৰা আমোদ ভ্ৰমণ সমগ্ৰ বিশ্বতে এটা জনপ্ৰিয় ব্যৱসায়। ভাৰতৰ কাশ্মীৰৰ হ্ৰদত আকৰ্ষণীয় নাৱেৰে কৰা আমোদ ভ্ৰমণ বিশ্ববিখ্যাত। অসমৰ ব্ৰহ্মপুত্ৰতো এনে ব্যৱসায় আৰম্ভ হৈছে।

## সৌন্দৰ্যৰ উৎস

জনবসতিপূৰ্ণ এলেকাবোৰত থকা জলাশয়বোৰত থকা জলাশয়বোৰে ঠাইখনৰ সৌন্দৰ্য্য বৃদ্ধিত অৰিহণা যোগায়। প্ৰাকৃতিক জলাশয় নথকা এলেকাত বাণিজ্যিক গোষ্ঠীবোৰে সজা আবাসিক চৌহদবোৰত আজি-কালি কৃত্ৰিম জলাধাৰ সহ আটকধুনীয়া উদ্যান নিৰ্মাণ কৰাই লয়।





কৃত্ৰিম জলাধাৰৰ গুৰুত্ব আছে যদিও বিভিন্ন জলজ প্ৰাণী আৰু উদ্ভিদক আশ্ৰয় দিয়া প্ৰাকৃতিক জলাশয়বোৰৰ গুৰুত্ব কিন্তু এই কৃত্ৰিম জলাশয়বোৰৰ তুলনাত বহু পৰিমাণে বেছি।

## বনভোজৰ কেন্দ্ৰ

নৈ-বিল, জান-জুৰি আদিক কেন্দ্ৰ কৰি অসমত বহুতো বনভোজৰ কেন্দ্ৰ গঢ়ি উঠিছে। এনেবোৰ কেন্দ্ৰত ওচৰৰ বাসিন্দাৰ উপৰিও দূৰ-দূৰণিৰ পৰা অহা বনভোজৰ দলৰ সমাবেশ ঘটা দেখা যায়।



## মানসিক উৎকৰ্ষ

পুৱাৰ উদিত সূৰ্য বা আবেলি লহিয়াবলৈ ধৰা বেলিৰ পোহৰে জিকমিকাই তোলা জলাশয়ৰ বুকুত বিচৰণ কৰি থকা চৰাইৰ জাক, নাচি থকা মাছৰ জাক, বিলৰ বুকুত ফুলি থকা পদুম ফুল, পানীৰ ওপৰত উৰি থকা জিঞাৰ জাকবোৰ চাই চাই কোনে বাৰু বিভোৰ নোহোৱাকৈ থাকিব পাৰে? নিৰ্মল বতাহ লৈ নিৰৰে এনে মধুৰ পৰিবেশ উপভোগ কৰিব পাৰিলে যি কোনো মানুহেই অনাবিল আনন্দ লাভ কৰিব পাৰে। এনেদৰেই আমাৰ জলাশয়বোৰে আমাক মানসিক প্ৰশান্তি লাভ কৰাৰ পৰিবেশ দিয়ে।





## সংকটত জলাশয়

মুঠতে এটা অঞ্চলৰ সুস্থ প্ৰাকৃতিক পৰিবেশৰ লগতে মানুহৰ শাৰীৰিক, মানসিক, সাংস্কৃতিক তথা অৰ্থনৈতিক দিশ শক্তিশালী কৰি ৰখাত খাল-বিল, জান-জুৰিবোৰে তুলনাবিহীন ভূমিকা লৈ আহিছে। কিন্তু এচাম মানুহৰ অবিবেচকী কাণ্ডই আজি খাল-বিলবোৰক বিষাক্ত কুণ্ডত পৰিণত কৰিব ধৰিছে। সেয়েহে এনে ভয়াবহ কাৰ্যক বাধা দিয়াৰ বাবে জনসাধাৰণে অচিৰেই মাৰবান্ধি ওলাই অহাৰ প্ৰয়োজন হৈছে।

## জলাশয়ৰ পৰিৱেশ নষ্ট হোৱা বা জলাশয় ধ্বংস হোৱাৰ কিছুমান কাৰণ

- মানুহে জলাশয়বোৰ পুতি বসবাসৰ বাবে ঘৰ-দুৱাৰ সাজিবলৈ আৰম্ভ কৰিছে।

- কিছুমান ব্যৱসায়ীয়ে উদ্যোগ নিৰ্মাণৰ বাবে জলাশয়বোৰ পুতি নিঃচিহ্ন কৰি গৈ আছে।



- জলাহভূমিৰ ওচৰত গঢ়ি উঠা উদ্যোগৰ কোলাহলে জলচৰ প্ৰাণী, চৰাই-চিৰিকটি বা জলাশয়লৈ অহা বন্যপ্ৰাণীৰ চাল-চলন বাধাপ্ৰাপ্ত কৰে।

- জলাশয়ৰ গুৰুত্বক আওকাণ কৰি অপৰিকল্পিতভাৱে সজা খেল-পথাৰ, ৰাস্তা, ৰাজহুৱা অনুষ্ঠান-প্ৰতিষ্ঠানবোৰে জলাশয়বোৰৰ প্ৰাকৃতিক অৱস্থা নষ্ট কৰিছে।



- প্ৰাকৃতিক জলাশয়বোৰৰ পৰা মাছ-কাছ, জলজ উদ্ভিদ আদি অত্যাধিক পৰিমাণে আহৰণ কৰা বা পৰিষ্কাৰ কৰাৰ নামত জধে-মধে জলজ উদ্ভিদবোৰ বিনাশ কৰা, সৌন্দৰ্য্য বৰ্ধনৰ নামত অবৈজ্ঞানিকভাবে জলাশয়ৰ পাৰত নিৰ্মাণ কাৰ্য চলোৱা আদিৰ বাবেও জলাশয়ৰ স্বাভাৱিক স্বাস্থ্যৰ অৱনতি হ'ব পাৰে।

◆ মানুহে সাধাৰণতে ব্যৱহাৰ কৰা ৰাসায়নিক সামগ্ৰীৰ অৱশিষ্ট বিশেষকৈ ৰাসায়নিক কীটনাশক, ৰং, সাৰ, যান-বাহনত ব্যৱহৃত পেট্ৰোলিয়ামজাত সামগ্ৰী, বেটেৰী, মানুহ তথা পশু-পক্ষীৰ ক্ষেত্ৰত ব্যৱহৃত দৰৱৰ অৱশিষ্টৰ উপৰিও অপৰিশোধিত খালী বটল, পেকেট আদি য'তে-ত'তে পেলাই দিয়াৰ ফলত খাল-বিলৰ পানী বিষাক্ত হয়।





◆ জলাশয়ৰ ওচৰৰ পাহাৰত জধে-মধে চলোৱা খনন কাৰ্য আৰু অৰণ্য ধ্বংস কৰাৰ ফলত বাৰিষা বোকা মাটি আৰু আৱৰ্জনা উটি আহি নদী আৰু জলাশয়বোৰৰ গভীৰতা হ্ৰাস হৈছে।



◆ জলাধাৰবোৰত বহুতে আৱৰ্জনা পেলায়। এই আৱৰ্জনাবোৰ বাৰিষা নৰ্দমা আৰু জানবোৰেৰে গৈ ওচৰৰ খাল-বিলবোৰত পৰে। এনেদৰে বহুতো জলাশয়ৰ আয়তন দ্ৰুত হাৰত হ্ৰাস পোৱাৰ লগতে তাৰ পানীও বিষাক্ত হৈছে।

উদ্যোগৰ বৰ্জিত সামগ্ৰী বা ৰাসায়নিক দ্ৰব্যবোৰ পোনপটীয়াকৈ মুকলি ঠাই, জলাধাৰ আদিত পেলোৱাটো জলজ উদ্ভিদ আৰু প্ৰাণীৰ অস্তিত্বৰ বাবে ভাবুকিস্বৰূপ।





জলাশয়ৰ মাজেদি সজা ৰেলপথত চলাচল কৰা ৰেলগাড়ীয়ে জলচৰ পখীৰ বিচৰণ আৰু বিশ্ৰামত ব্যাঘাত জন্মায়। সেইদৰে জধে-মধে সজা ৰে'লআলি আৰু ৰাস্তাই পূৰ্বৰে পৰা থকা বানপানীৰ স্বাভাৱিক গতিপথত বাধা জন্মোৱাৰ বাবে জলাশয় একোটা মৃত্যুৰ মুখলৈও আগবাঢ়িব পাৰে।

বনভোজৰ বতৰত জলাশয়বোৰৰ পাৰত হোৱা অত্যাধিক জনসমাবেশে সৃষ্টি কৰা কোলাহলৰ বাবে বা বনভোজৰ দলবোৰে এৰি অহা আৱৰ্জনাৰ বাবেও জলাশয়ৰ পৰিৱেশ নষ্ট হ'ব পাৰে।



## জলাশয় সুৰক্ষাৰ বাবে আমি ল'ব পৰা কিছুমান ব্যৱস্থাৱলী



- জলাশয়বোৰৰ বুকুত মানুহৰ বসতি, নিৰ্মাণ কাৰ্য বা কৃষিকাৰ্য ইত্যাদি বন্ধ কৰা।
- আৱৰ্জনা আদিৰ হেঁচাত ইতিমধ্যে বিলুপ্তিৰ মুখলৈ আগবঢ়া জলাশয়বোৰ পৰিকল্পিতভাবে চাফ-চিকুণ কৰিব লাগে।
- জলাশয়ৰ পাৰত উদ্যোগ স্থাপন নিষিদ্ধ কৰা।



- বিষাক্ত পানী বা আৱৰ্জনা নলা বা জলাশয়ত পৰাৰ আগতে শোধনৰ ব্যৱস্থা কৰা।
- খেতি-পথাৰৰ আৱৰ্জনা জলাশয়লৈ যাব নোৱাৰাকৈ ব্যৱস্থা গ্ৰহণ কৰা।
- নৈ-উপনৈৰ বুকু জধে-মধে খান্দি বালি আহৰণ কৰাৰ দৰে ক্ষতিকৰ কামৰ পৰা আমি সকলোৱে বিৰত থাকিব লাগে।



- জলাশয়ৰ অপতৃণবোৰ নিয়মীয়াকৈ আঁতৰোৱাৰ লগতে গভীৰতা বৃদ্ধিৰ বাবে বুকু খন্দা।
- নলা-নৰ্দমাত ঘৰুৱা বা উদ্যোগিক আৱৰ্জনা পেলাব নোৱাৰাকৈ কঠোৰ আইন প্ৰয়োগ কৰা।
- কৃষি পথাৰত জৈৱিক সাৰ, কীটনাশক আদিৰ ব্যৱহাৰ বৃদ্ধি কৰা।

* জলাশয়ৰ সম্পদ যাতে জধে-মধে ব্যৱহাৰ কৰিব নোৱাৰে তাৰ বাবে নীতি-নিয়ম বলবৎ কৰা।

* মাছৰ বৈচিত্র্য ৰক্ষাৰ বাবে নদীৰ লগত পূর্বৰে পৰা থকা সংযোগবোৰ পুনৰ মুকলি কৰা।



* বৰষুণৰ পানীয়ে যাতে পাৰৰ ভূমি উটুৱাই নি জলাশয়বোৰৰ বুকুত পেলাব নোৱাৰে, তাৰ বাবে জলাশয়বোৰৰ চৌপাশে ডাঠ হাবি-বনৰ আবেষ্টনী গঢ়ি তোলা।

* জলাশয়বোৰৰ একোটা অংশত নির্ভেজাল প্রাকৃতিক পৰিবেশ অটুত ৰাখিবলৈ মানুহৰ প্ৰৱেশ নিষিদ্ধ কৰা।

* কণী দিয়া ঋতুত মাছ ধৰা সম্পূর্ণকৈ বন্ধ ৰখা। মাছ ধৰাৰ ক্ষেত্রত মীন আইন মানি চলক।



* মাছ ধৰাৰ বাবে পানীত বিষ বা বোমা দিলে সৰু-বৰ সকলো মাছৰ লগতে অন্যান্য প্ৰাণীৰো মৃত্যু ঘটায়। এনে কার্য সমূলি ত্যাগ কৰা।

* উজানত অহা মাছ ধৰাৰ দৰে ক্ষতিকৰ কাম সম্পূর্ণৰূপে বন্ধ কৰা।

* মাছ অহা-যোৱা কৰা প্রাকৃতিক বাট (জান, জুৰি, নদী আদি) জাল, বান্ধ বা জালিৰে সম্পূর্ণৰূপে বন্ধ কৰি মাছ ধৰাৰ দৰে কার্যৰ পৰা বিৰত থাকক।

ইতিমধ্যে জলাশয়ৰ পাৰত গঢ়ি উঠা উদ্যোগবোৰ ক্ৰমশঃ নিৰাপদ দূৰলৈ স্থানান্তৰিত কৰিব লাগে।

জলাশয়ৰ মাজেদি নিৰ্মাণ কৰা ৰে'লপথ, ৰাস্তা আদি বন্ধ কৰি নিৰাপদ দূৰত্বইদি পুনৰ নিৰ্মাণ কৰিব লাগে।





প্ৰাথমিক পৰ্যায়ৰ পৰা বিশ্ববিদ্যালয়ৰ নিয়মীয়া পাঠ্যক্ৰমৰ লগতে বৃত্তিমুখী শিক্ষাৰ পাঠ্যক্ৰমত জলাশয়ৰ গুৰুত্ব আৰু সংৰক্ষণ সম্পৰ্কীয় পাঠ অৰ্ন্তভুক্ত কৰিব লাগে। উচ্চ পৰ্যায়ৰ শিক্ষানুষ্ঠানবোৰক ওচৰৰ জলাশয়ৰ সংৰক্ষণ বিষয়ক সজাগতামূলক শৈক্ষিক কাৰ্যসূচীৰ সৈতে জড়িত হোৱাৰ ব্যৱস্থা কৰিব লাগে।



আমাৰ বিবেচনা মতে চৰকাৰে জলাশয়বোৰৰ সুৰক্ষাৰ বাবে বিশেষ জনসজাগতা অভিযান আৰম্ভ কৰাৰ লগতে জলাশয় সম্পৰ্কীয় ক্ষেত্ৰ ভিত্তিক অধ্যয়ন চলাই সুৰক্ষাৰ বাবে বিশেষ আঁচনি গ্ৰহণ কৰিব লাগে। প্ৰয়োজন সাপেক্ষে আইনবো সংশোধন কৰিব লাগে। জলাশয়বোৰ আমাৰ জীৱন ৰেখা।

জলাশয়ৰ পাৰৰ এলেকাবোৰৰ সামাজিক সংগঠনৰ কৰ্মকৰ্তা আৰু জনপ্ৰতিনিধিসকলৰ বাবে নিয়মীয়াকৈ জলাশয়ৰ নিৰীক্ষণ আৰু প্ৰতিপালন সম্পৰ্কীয় প্ৰশিক্ষণ-কৰ্মশালা আয়োজন কৰা উচিত। গাওঁৰক্ষী বাহিনী গঠনৰ দৰে চৌপাশৰ ৰাইজক লৈ জলাশয় তদাৰকী বাহিনী গঠন কৰিব পাৰি।





অসমৰ দৰে ঠাইত জলাশয়ৰ বিলুপ্তি ঘটা মানেই স্থানীয় কৃষি, শিল্প-সংস্কৃতি, অৰ্থনীতিৰ বিপৰ্যয় ঘটা। আমাৰ ভৱিষ্যৎ বংশধৰসকলৰ সুৰক্ষাৰ স্বাৰ্থত জলাশয়বোৰক সুৰক্ষিত কৰিবই লাগিব।



আহক, আমি আমাৰ মূল্যবান খাল-বিল, পিতনি, জান-জুৰি আৰু নৈবোৰ সংৰক্ষণৰ বাবে প্ৰত্যেকেই সতৰ্কতাৰে কাম কৰোঁ। প্ৰতিটো এলেকাৰ গাওঁ পঞ্চায়ত, স্বেচ্ছাসেৱী সংগঠন, শিক্ষানুষ্ঠানে নিজ এলেকাৰ জলাশয়বোৰৰ সুৰক্ষাৰ বাবে সজাগতা অভিযান আৰম্ভ কৰো, হাতে-কামে লাগো আহক। প্ৰয়োজন সাপেক্ষে স্থানীয়ভাৱে নীতি-নিয়ম বলবৎ কৰি জলাশয়বোৰ সংৰক্ষিত হোৱাটো নিশ্চিত কৰক।




**প্ৰকৃতি শিক্ষণ কেন্দ্ৰ, অসম**

অসম ৰাজ্যিক জৈৱবৈচিত্ৰ্য পৰিষদ

অৰণ্য ভৱন, তৃতীয় মহলা, পাঞ্জাবাৰী, গুৱাহাটী-৭৮১০৩৭

Email : asbb.nlc@gmail.com